পৃষ্ঠাত

### বিধানসভাত বিধায়ক ছামছুল হুদা

# ৰত্নপীঠ কলেজত বিজ্ঞান শাখা খোলাৰ দাবী

**প্ৰতিদিন বিশেষ সেৱা, চাপৰ, ৯ ফেব্ৰুৱাৰী :** অসম বিধানসভাত প্ৰাক্তন মুখ্যমন্ত্ৰী জননেতা শৰৎ চন্দ্ৰ সিংহৰ স্মৃতি বিজড়িত চাপৰৰ ৰত্নপীঠ মহাবিদ্যালয়ত বিজ্ঞান শাখা খোলাৰ দাবী উত্থাপন কৰিলে বিলাসীপাৰা পূব সমষ্টিৰ বিধায়ক ছামছুল হুদাই। কালি বিধানসভাৰ প্ৰশ্নোত্তৰ কালত বিধায়ক হুদাই চাপৰৰ ৰত্নপীঠ কলেজত বিজ্ঞান শাখা আৰু বিলাসীপাৰা মহাবিদ্যালয়ত বাণিজ্য শাখা খোলাৰ দাবী উত্থাপন কৰিছে বুলি বিধায়ক হুদাই জানিবলৈ দিছে। উল্লেখ্য যে চাপৰৰ ৰত্নপীঠ কলেজত বিজ্ঞান শাখা খোলাৰ বাবে সকলোধৰণৰ আন্তঃগাঁথনি থকা সত্ত্বেও আজিলৈকে বিজ্ঞান শাখা প্ৰৱৰ্তন নকৰাত বৃহত্তৰ অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকল বঞ্চিত হৈ আহিছে। বিগত বৰ্ষত ৰাজ্য চৰকাৰে ৰাজ্যখনৰ বহুকেইখন মহাবিদ্যালয়ত বিজ্ঞান শাখা প্ৰৱৰ্তন কৰে যদিও তালিকাত নাম থকা সত্ত্বেও অন্তিম মুহূৰ্তত ৰহস্যজনক কাৰণত ৰত্নপীঠ মহাবিদ্যালয় উক্ত তালিকাৰ পৰা বাদ পৰে। জননেতা শৰৎ চন্দ্ৰ সিংহৰ আশাৰ ফচল ৰত্নপীঠ মহাবিদ্যালয়ত বিজ্ঞান শাখা প্ৰৱৰ্তন কৰাৰ যথাবিহিত ব্যৱস্থা গ্ৰহণ কৰি বৃহৎ এলেকাটোৰ হেজাৰ হেজাৰ ছাত্ৰ-ছাত্ৰীৰ উপকাৰ সাধন কৰিবলৈ চাপৰবাসীয়ে মুখ্যমন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাক দাবী জনাইছে।